Total No. of Printed Pages—7

**2 SEM TDC ASM MIL (A) 1**

**2014**

( May )

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) 'দৈনিক অসম' কাকতত ২২/০১/২০১৪ তাৰিখে ই.ডি./এচ.টি./২৪/২০১৪ নম্বৰৰ এটি বিজ্ঞাপন প্ৰকাশ পাইছিল। বিজ্ঞাপন অনুসৰি এখন উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰ এটি পদৰ কাৰণে

অর্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদনপত্ৰ বিচৰা হৈছে। পদটিৰ কাৰণে প্ৰাৰ্থী উচ্চমানসহ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বি.এড. ডিগ্ৰীধাৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। পদটিৰ কাৰণে বিতং তথ্যসহ (Bio-data) এখনি আৱেদনপত্ৰ প্ৰস্তুত কৰাঁ। আৱেদনপত্ৰত তোমাৰ নাম, বিদ্যালয়ৰ নাম, মহাবিদ্যালয়ৰ নাম উল্লেখ নকৰিবা।

*অথবা*

(খ) সংক্ষিপ্ত ৰূপ বুলিলে কি বুজা? অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপসমূহৰ বিষয়ে এটি প্ৰবন্ধ প্ৰস্তুত কৰাঁ।

৩+৭=১

২। (ক) কাৰ্যবিৱৰণীত গুৰুত্ব দিবলগা বিষয়সমূহ কি কি? মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজিত নৱাগত আদৰণি সভাৰ নিমন্ত্ৰণীপত্ৰ এখনৰ আৰ্হি প্ৰস্তুত কৰাঁ। (মহাবিদ্যালয়ৰ নাম উল্লেখ নকৰিবা)।

৫+৪=

*অথবা*

(খ) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সভাত 'ৰেগিং বন্ধ কৰা' সম্পৰ্কীয় এটি প্ৰস্তাৱৰ আৰ্হি প্ৰস্তুত কৰাঁ।

৩। অনুবাদৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।





৪। তলৰ যি কোনো এটি অংশ অসমীয়ালৈ অনুবাদ কৰাঁ : ৮

(ক) The Dibrugarh University is situated in Rajabheta, about five kilometers south from the Dibrugarh town. The Dibrugarh University campus is well-linked by roads, railways, air transport and waterways. National Highway No. 37 passes through the campus. The University is located in a area of 203 hectares out of which 74·3 hectares are under tea plantation.

(খ) Assamese is a branch of the New Indo-Aryan speech and it was developed into a distinct language out of the Eastern Magadhi Prakrita. In point of antiquity, Assamese had the honour of being noticed by Hiuen Tsang when he visited Kamarupa in the 7th century AD. He perhaps referred to some individuality of the Kamarupa (early Assamese) language when he spoke of it as 'slightly differing' from that of mid-India.

৫। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) প্ৰশাসনিক পৰিভাষা

(খ) শিক্ষা-বিষয়ক পৰিভাষা

(গ) পৰিভাষাৰ প্ৰয়োজনীয়তা

৬। (ক) ভিন্ন ভাষাৰ পৰা অহা সকলো শব্দৰে পৰিভাষা প্ৰস্তুত কৰা প্ৰয়োজন বুলি ভাবানে? যুক্তিসহ তোমাৰ মত উল্লেখ কৰাঁ। ৫

*অথবা*

(খ) তলত দিয়া যি কোনো পাঁচটা ইংৰাজী শব্দৰ অসমীয়া পৰিভাষা লিখাঁ : ১×৫=৫

Ad-hoc; Engineer; Public Administration; Autonomous; Civil Court; Technical Term; Registrar.

৭। (ক) অসমীয়া ভাষাত সংযুক্ত শব্দ তথা সমাসৰ সহায়ত শব্দ গঠন প্ৰণালীৰ বিষয়ে আলোচনা কৰাঁ। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ জতুৱা ঠাঁচ আৰু জতুৱা প্ৰয়োগ সম্পৰ্কীয় এটি টোকা প্ৰস্তুত কৰাঁ।





৮। তলৰ পাঠটিত যতি চিনসমূহ ভুলকৈ ব্যৱহাৰ কৰা হৈছে। কিছুমান স্থানত দিয়া হোৱা নাই। ভাব আৰু সুৰ অনুযায়ী যতি চিনসমূহ শুদ্ধ স্থানত প্ৰয়োগ কৰাঁ: ৫

সুন্দৰ, শেৱালী। তই মোক ভাল পাৱনে।

শেৱালী-স্বাভাৱিকভাৱে পাওঁ কোঁৱৰ;

সুন্দৰ—[ উগ্ৰ হৈ ] মোক ভা-ল পাৱ।

শেৱালী, ভয় খাই নমতা হয়

সুন্দৰ; আত্মসম্বৰণ কৰি কিয়! কিয় ভাল পাৱ!

শেৱালী; এনেয়ে ভাল পাওঁ

৯। তলৰ যি কোনো তিনিটা বাক্য শুদ্ধকৈ লিখাঁ : ১×৩=৩

(ক) যোৱাকালি নামঘৰত ৰাইজসকলক হাতকৰ-যোৰ কৰি কথাটো জনাই আহিছোঁ।

(খ) ন্যস্তস্বাৰ্থজড়িতমহলে শংকৰদেৱৰ ওপৰত ভূল ব্যাখ্যা দিব বিচাৰে।

(গ) উচ্চ মাধ্যমিক শেষান্ত পৰিক্ষাত ৰমেশে শতকৰা ৮০ শতাংশ নম্বৰ পাইছে।

(ঘ) দলংৰ ওপৰত তোমালৈ ৰখি ৰখি আমনী লাগিল।

১০। (ক) পুৰণি অসমীয়া ভাষাত ব্যৱহৃত যতি চিনসমূহ উল্লেখ কৰি বৰ্তমান ব্যৱহৃত যতি চিনৰ বিষয়ে আলোচনা কৰা। ২+৪=

*অথবা*

(খ) চমুকৈ লিখাঁ (যি কোনো দুটা) : ৩×২=

(১) অসমীয়া ভাষাত 'ঁ' (চন্দ্ৰবিন্দু)-ৰ প্ৰয়োগ

(২) অসমীয়া ভাষাৰ পৰপ্ৰত্যয়

(৩) গঠন অনুযায়ী অসমীয়া ভাষাৰ বাক্যক কি কি ভাগত ভগাব পাৰি

১১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৮=৮

(ক) মাটি বিক্ৰী বা বন্ধক দি লিখা পত্ৰক কি বুলি কোৱা হয়?

(খ) 'ঃ' যতি চিনটোক কি নামেৰে জনা যায়?

(গ) অৰ্থ লিখাঁ :

গাঁও—গাওঁ।

(ঘ) সংক্ষিপ্ত ৰূপৰ পূৰ্ণাংগ ৰূপ লিখাঁ :

গণি.; অনুক.।





(ঙ) অৰ্থ লিখাঁ :

ম'হতকৈ শিং চৰা।

(চ) অসমীয়া ভাষাৰ এটি যৌগিক বাক্যৰ উদাহৰণ লিখাঁ।

(ছ) শুদ্ধ ৰূপটো নিৰ্ণয় কৰাঁ :

পুৰস্কাৰ; পুৰষ্কাৰ।

(জ) এটি যুৰীয়া শব্দৰ উদাহৰণ দিয়াঁ।

★★★